**2018**

**ASSAMESE**

**ASM : 1.03**

# HISTORY OF LITERARY CRITICISM (EAST AND WEST)

Full Mark : 80

Time : 3 Hours

***The figures in the margin indicates full marks for the questions :***

ক- অংশ (প্ৰাচ্য সমালোচনা)

1. তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ ১x৫=৫

ক) ভাৰতীয় অলংকাৰ শাস্ত্ৰত সৰ্বপ্ৰথমে 'ধ্বনিতত্ত্ব'ৰ প্ৰৱৰ্তন কৰা আলংকাৰিক জন কোন ?

খ) ৰসক কাব্যৰ আত্মা বুলি কোনজন আলংকাৰিকে কৈছিল ?

গ) বিভৎস ৰসৰ স্থায়ীভাৱ কি ?

ঘ) দণ্ডীৰ মতে গুণ কেই প্ৰকাৰ ?

ঙ) ৰীতিয়েই কাব্যৰ আত্মা (ৰীতিৰাত্মা কাব্যস্য) বুলি কোনে কৈছিল ?

২. চমু উত্তৰ লিখা ঃ ২x৩=৬

ক) কুন্তকৰ মতে বক্ৰতাৰ ভেদ কেইটা কি কি ?

খ) ধ্বনিকাব্যৰ প্ৰধান ভেদ দুটা কি কি ?

গ) 'উপাদান লক্ষণা'ৰ দুটা উদাহৰণ দিয়া

৩. চমুটোকা লিখা (যিকোনো এটা) ঃ ৫x১=৫

ক) ৰীতি খ) স্থায়ীভাৱ

৪. যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা

ক) ভৰতৰ ৰসসূত্ৰত থকা বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰীভাৱ সম্পৰ্কত তোমাৰ ধাৰণা স্পষ্ট কৰি ভট্টনায়কে আগবঢ়োৱা মতৰ এক বিশ্লেষণ আগবঢ়োৱা। ৬+৬=১২

খ) শব্দশক্তি বুলিলে কি বুজা? ই কেই প্ৰকাৰৰ? ইয়াৰ প্ৰতিটো প্ৰকাৰৰ শব্দ আৰু অৰ্থৰ লগত সম্বন্ধ কেনেকুৱা? শব্দৰ ব্যঞ্জনা শক্তি সম্পৰ্কে ধ্বনিকাৰ আনন্দবৰ্ধনৰ অভিমতৰ অসমৰ্থনত মহিমভট্টই আগবঢ়োৱা মতৰ বিশ্লেষণ দাঙি ধৰি তোমাৰ অভিমত ব্যক্ত কৰা। ২+১+৩+৬=১২

গ) বক্ৰোক্তি কাক বোলে? বক্ৰোক্তিৰ প্ৰকাৰবোৰ উল্লেখ কৰি ভামহ দণ্ডী আৰু কুন্তকৰ বক্ৰোক্তিবিষয়ক অভিমতবোৰ পৰ্যালোচনা কৰা। ৩+৩+৩+৩=১২

## 'খ' অংশ (পাশ্চাত্য সমালোচনা)

৫. তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ ৫x১=৫

ক) ট্ৰেজেডী সম্পৰ্কীয় আলোচনাই 'পয়েটিকচ' গ্ৰন্থখনৰ কিমানটা অধ্যায় সামৰি লৈছে?

খ) Lyrical Ballads ৰ দ্বিতীয় সংস্কৰণটো কোন চনত প্ৰকাশ পাইছিল?

গ) এৰিষ্ট'টলে মহাকাব্যৰ প্ৰকাৰ কেইটা বুলি মতামত ব্যক্ত কৰিছিল?

ঘ) 'The New Criticism' শীৰ্ষক গ্ৰন্থখন কোন চনত প্ৰকাশ পাইছিল?

ঙ) লংগিনাছে অনিৰ্বচনীয়ত্ব সৃষ্টিত আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদান বুলি কিহক অভিহিত কৰিছিল?



৬. চমু উত্তৰ লিখা ঃ ২x৩=৬

ক) অনুকৰণ সম্পৰ্কত এৰিষ্ট'টল আৰু প্লেটোৰ ধাৰণাৰ মাজত থকা দুটা পাৰ্থক্য উল্লেখ কৰা।

খ) আলংকৰিক প্ৰশ্ন (Rhetorical Question) মানে কি? এটা উদাহৰণ দাঙি ধৰা।

গ) দুজন পাশ্চাত্য ৰোমান্টিক সমালোচকৰ নাম উল্লেখ কৰা।

৭. চমুটোকা লিখা (যিকোনো এটা) ঃ ৫x১=৫

ক) ট্ৰেজেডীৰ চৰিত্ৰৰ বিশেষত্ব

খ) নতুন সমালোচনা

৮. যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ

ক) পাঠ্য ৰচনাৰ আলমত ধ্ৰুববাদী আৰু ৰোমান্টিক সমালোচনাৰ এক তুলনাত্মক অধ্যয়ন প্ৰস্তুত কৰা। ১২

খ) অনিৰ্বচনীয়ত্বৰ সংজ্ঞাসহ অনিৰ্বচনীয় সাহিত্যৰ বিশেষত্ব সমূহ ব্যাখ্যা কৰা। ১২

গ) কবিতা তথা কাব্য সৃষ্টিৰ সমগ্ৰ প্ৰক্ৰিয়া সম্পৰ্কত ৱৰ্ডচৱৰ্থৰ ধাৰণাৰ এক বিৱৰণ দাঙি ধৰা। ১২

....................